জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...য়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ৩০৯ ● সোমবাৰ ● ৩ শাওণ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Monday July 20, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰকা...

## ...নিটা চোৰক কৰায়ত্ত

...ক থানাৰ অন্তৰ্গত শিঙিয়া বেজীবাৰী
...জুলাইত নিশা চুৰি সংঘটিত হয়।
...এজাহাৰ দাখিল কৰিছিল। লালুক
...যোৱা নিশা তিনিটা চোৰক কৰায়ত্ত
...ৰ পৰা কিছুমান চুৰি সামগ্ৰীও উদ্ধাৰ
...ৰ্মপুৰৰ আব্দুল কাদিৰৰ পুত্ৰ আমিৰুল
...ইৰুল ইছলাম (২৭) আৰু বেজীবাৰী
...(২৬) কৰায়ত্ত কৰিবলৈ সক্ষম হয়।
...কালত চোৰ তিনিটাৰ পৰা কাঁহ-
...সক্ষম হয়। আৰক্ষীয়ে চোৰ তিনিটাৰ
...ছা আদি চুৰি সামগ্ৰী উদ্ধাৰ কৰে।
...ামঘৰ আদিৰ পৰাও সামগ্ৰী চুৰ কৰি
...বিক্ৰী কৰে। আজি লালুক আৰক্ষীয়ে
...কৰিছে।

## ডিব্ৰুগড়ত সমাজসেৱিকা, গান্ধীবাদী নেত্ৰী দেৱবালা হাজৰিকাক স্মৰণ

লাহোৱাল ঃ নিজা সংবাদদাতা, ১৯ জুলাই ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত জিলাখনৰ এগৰাকী বিশিষ্টা গান্ধীবাদী নেত্ৰী, সমাজসেৱিকা তথা অসমৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত দেৱেন্দ্ৰ নাথ হাজৰিকাৰ সহধৰ্মিণী দেৱবালা হাজৰিকাৰ স্মৃতিচাৰণ অনুষ্ঠানৰ লগতে তেওঁৰ অপ্ৰকাশিত লেখাসমূহ একত্ৰিত কৰি প্ৰস্তুত কৰা 'দেৱবালা হাজৰিকাৰ কলমেৰে' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অধ্যক্ষ ড° শশীকান্ত শইকীয়া, টেঙাখাত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা কিৰণ বৰা, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ ভূষণজ্যোতি সন্দিকৈ, মহিলা সমিতিৰ সভানেত্ৰী দীপালি শইকীয়া, লেখিকা সমাৰোহ সমিতিৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভানেত্ৰী ৰেণু ফুকন, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কল্পনা খাওন্দ, দেৱবালা হাজৰিকাৰ পুত্ৰ কৰুণা হজৰিকাকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানটোৰ আঁত ধৰে বিশিষ্ট সাংবাদিক, লেখক যাদৱ গগৈয়ে। দেৱবালা হাজৰিকাৰ নাতিনী ভক্তিমালা চৌধাৰীয়ে আদৰণী ভাষণ আগবঢ়াই প্ৰকাশিত গ্ৰন্থখনৰ প্ৰকাশৰ আঁৰৰ বিষয়ে চমু বিৱৰণ দিয়ে। সভাখনত বক্তব্য আগবঢ়ায় ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ (স্বায়ত্তশাসিত) অধ্যক্ষ ড° শশীকান্ত শইকীয়াই প্ৰয়াত লেখিকাগৰাকীক স্মৰণ কৰাৰ লগতে সকলোকে নিজৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি কাম কৰাটো উচিত বুলি মন্তব্য প্ৰকাশ কৰে। সভাখনত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ভূষণজ্যোতি সন্দিকৈয়ে দেৱবালা হাজৰিকাৰ কৰ্মৰাজিৰ আলোকপাত কৰে। আনহাতে, 'দেৱবালা হাজৰিকাৰ কলমেৰে' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি বক্তব্যত মুখ্য অতিথি শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে দেৱবালা হাজৰিকাক এগৰাকী সুব্যক্তিত্বসম্পন্না ব্যক্তি হিচাপে উল্লেখ কৰে। সাহিত্যচৰ্চাৰ জৰিয়তে দেৱবালা হাজৰিকাই সমাজৰ বিভিন্ন স্তৰৰ ঘটনাপ্ৰৱাহক উপস্থাপন কৰিবলৈ কৰা প্ৰয়াস উন্মোচন কৰা গ্ৰন্থখনত পৰিস্ফুট হৈছে বুলি তেওঁ মন্তব্য কৰে। 'দেৱবালা হাজৰিকাৰ কলমেৰে' শীৰ্ষক গ্ৰন্থখনত লেখিকাগৰাকীৰ পূৰ্বে অপ্ৰকাশিত লেখাসমূহক চাৰিটা শিতানত একত্ৰিত কৰি প্ৰকাশ কৰা হৈছে। গ্ৰন্থখন প্ৰকাশ কৰি উলিয়াইছে দেৱবালা হাজৰিকাৰ নাতি-নাতিনীসকলে। অনুষ্ঠানটোত জাগ্ৰত জ্যোতি হাজৰিকাই বৰগীত, প্ৰদীপ্তা হাজৰিকাই সত্ৰীয়া নৃত্য পৰিৱেশন কৰা অনুষ্ঠানটোত উপস্থিত বিশিষ্ট ব্যক্তিসকলে দেৱবালা হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পমাল্য অৰ্পণ কৰে। অনুষ্ঠানটোত বহু সংখ্যক গণ্য-মান্য ব্যক্তিৰ লগতে দেৱবালা হাজৰিকাৰ সান্নিধ্য লাভ কৰা বহু কেইগৰাকী ব্যক্তি উপস্থিত থকাৰ লগতে পৰিয়ালৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোত নাতি জোঁৱাই দিব্যজ্যোতি শৰ্মাই উক্ত অনুষ্ঠানটোৰ আঁত ধৰে আৰু পো নাতি ত্ৰৈলোক্য হাজৰিকাই নিৰ্মাণ কৰি উলিওৱা এখন তথ্যচিত্ৰও প্ৰদৰ্শন কৰা হয়। ভতিজা কুশল হাজৰিকাই শলাগ জ্ঞাপনৰ জৰিয়তে অনুষ্ঠানটো সামৰা হয়।

## অসম কৃষি বিশ্ববিদ্যালয়ত উত্তৰ-পূৰ্বাঞ্চলীয় ৰাষ্ট্ৰী... সেৱা আঁচনি উৎসৱ

যোৰহাট ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৯ জু...
ঃ যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যাল...
২৩ জুলাইৰ পৰা ২৭ জুলাইলৈ উ...
পূৰ্বাঞ্চলীয় ৰাষ্ট্ৰীয় সেৱা আঁ...
উৎসৱ-২০২৬ অনুষ্ঠিত হ'ৱা...
পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়, ভ...
চৰকাৰৰ অধীনস্থ আঞ্চলিক ৰা...
সেৱা আঁচনি সঞ্চালকালয়, গুৱাহ...
সহযোগত অসম কৃষি বিশ্ববিদ্যা...
এই উৎসৱৰ আয়োজন কৰিছে।
পাঁচদিনীয়া উৎসৱত অসমৰ ল...
অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘা...
মিজোৰাম, নগালেণ্ড, ছিকিম ...

## ...্য প্ৰতিযোগিতা

...নিচুকীয়া জিলাৰ লিডুত মৃদুসুহাসিনী
...ঢ্য প্ৰতিভা সন্ধানী নৃত্য প্ৰতিযোগিতা
...য়ৰ প্ৰেক্ষাগৃহত পুৱাৰ পৰা দিনজোৰা
...ষ্ঠানত লিডু গৌৰৱ বঁটাৰে সন্মানিত